# ‘অৰুনোদই দিৱস’ উদ্‌যাপন




‘অৰুনোদই দিৱস’ উদ্‌যাপন অনুষ্ঠানৰ মূল তোৰণ

অসমৰ প্ৰথমখন সংবাদ পত্ৰ ‘অৰুনোদই’ প্ৰকাশৰ ১৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে যোৱা ১ জানুৱাৰি, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে সংবাদ পত্ৰখনৰ জন্মস্থান শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত বৰ্ণিল কাৰ্যসূচীৰে অসম সাহিত্য সভাই ‘অৰুনোদই দিৱস’ উদ্‌যাপন কৰে। শিৱসাগৰ জিলা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত পুৱা সভাৰ মূল পতাকা উত্তোলন কৰে প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি প্ৰহ্লাদচন্দ্ৰ তাছাই আৰু লগতে এচাম গুণী-জ্ঞানী ব্যক্তিয়ে সভাৰ ১৭৫ খন পতাকা উত্তোলন কৰে। ইয়াৰ পিছত সভাৰ পতাকা উত্তোলন গীত ‘অ’ মোৰ আপোনাৰ দেশ...’ পৰিৱেশিত হয়। স্মৃতি তৰ্পণ অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰে গৱেষিকা ড° নিৰুপমা মহন্তই আৰু শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণুকমল বৰাই স্মৃতি তৰ্পণৰ আৰম্ভণি কৰে।

সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে প্ৰাক্তন প্ৰধান সম্পাদক তথা সাহিত্যাচাৰ্য নাহেন্দ্ৰ পাদুনে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জয়ন্তকুমাৰ বৰা (নিৰ্দিষ্ট বক্তা), সভাৰ প্ৰাক্তন উপ-সভাপতি ভূপেন শইকীয়া, প্ৰহ্লাদচন্দ্ৰ তাছা (সন্মানীয় অতিথি), শিৱসাগৰ জিলাৰ প্ৰাক্তন উপায়ুক্ত লক্ষীনন্দন গগৈ, তেজপুৰ লোকপ্ৰিয় বৰদলৈ কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন কলিতা (বিশিষ্ট অতিথি) আদি একাধিক গণ্য-মান্য ব্যক্তি মুকলি সভাত উপস্থিত থাকি বক্তব্য প্ৰদান কৰে।

দিনযোৱা কাৰ্যসূচীৰ অন্যতম ভাস্কৰ্য আৰু গ্ৰন্থ বিপণীৰ দ্বাৰ মুকলি কৰে খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ, শিল্পগুৰু দেৱকান্ত মহন্তই। সেইদিনা অনুষ্ঠিত আন এক ব্যতিক্ৰমধৰ্মী কাৰ্যসূচী বাৰেৰহনীয়া সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে লোক-সংস্কৃতি গৱেষক, সুগায়ক তথা মৰাণ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়াই। এই অনুষ্ঠানত লাকুৱা শাখা সাহিত্য সভাৰ শিল্পীসকলে সমবেত গীত, স্বৰ্ণলতা য়েইনৰ নেতৃত্বত মিচিং জনগোষ্ঠীয় সাংস্কৃতিক দলে গীত-মাত, ৰায় লুনীয়া টাই সাংস্কৃতি কেন্দ্ৰৰ ইনো গগৈয়ে গীত, নাজিৰাৰ ঝুমুৰ একাডেমিৰ দলে চাহ-জনগোষ্ঠীয় নৃত্য আদি পৰিৱেশন কৰে।




‘অৰুনোদই দিৱস’ উদ্‌যাপনৰ মুকলি সভাত সভাৰ সভাপতি ড° কুলধৰ শইকীয়া আৰু অন্যান্য অতিথিসকল